# Some important short Questions for the paper S2.1

1. ভোৰতাল নৃত্য কোনে সৃষ্টি কৰিছিল?
উত্তৰ: নৰহৰি বুঢ়া ভকতে ভোৰতাল নৃত্য সৃষ্টি কৰিছিল।
2. আধুনিকীকৰণৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।
উত্তৰ: বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ হৈছে আধুনিকীকৰণৰ এটা মুখ্য বৈশিষ্ট্য।
3. যিখন চুক্তিৰ দ্বাৰা ব্ৰিটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে অসমৰ শাসনভাৰ দখল কৰিছিল, সেই চুক্তিখনৰ নাম লিখা।
উত্তৰ: এই চুক্তিখনৰ নাম ইয়াণ্ডাবু চুক্তি।
4. স্বাধীনতাৰ পূৰ্বে প্ৰথম ভাৰতীয় শিক্ষা আয়োগৰ নামটো উল্লেখ কৰা।
উত্তৰ: স্বাধীনতাৰ পূৰ্বে প্ৰথম ভাৰতীয় শিক্ষা আয়োগ আছিল 'The Hunter Commission' (হাণ্টাৰ আয়োগ)।
5. প্ৰাচীন কালত ভাৰতবৰ্ষত গুৰুকুলত প্ৰয়োগ কৰা এটা শিক্ষণ পদ্ধতিৰ নাম উল্লেখ কৰা।
উত্তৰ: প্ৰাচীন কালত ভাৰতবৰ্ষত গুৰুকুলত প্ৰয়োগ কৰা শিক্ষণ পদ্ধতিৰ নাম হৈছে **"শ্ৰৱণ, মনন আৰু চিন্তন"**। এই পদ্ধতিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীগৰাকীয়ে শ্ৰৱণ (শুনা), মনন (বিচাৰ কৰা) আৰু চিন্তন (ধ্যান দিয়া) কৰি শিক্ষা অৰ্জন কৰিছিল।
6. RMSA ৰ এটা উদ্দেশ্য উল্লেখ কৰা।
উত্তৰ: RMSA-ৰ এটা উদ্দেশ্য হ'ল মাধ্যমিক শিক্ষাৰ গুণগত মান উন্নয়ন কৰা।
7. ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত সংবিধান সংশোধন প্ৰক্ৰিয়াসমূহ অন্তৰ্ভুক্ত কৰা হৈছে? উল্লেখ কৰা।
উত্তৰ: ভাৰতীয় সংবিধানৰ ৩৬৮ নং অনুচ্ছেদত সংবিধান সংশোধন প্ৰক্ৰিয়াসমূহ অন্তৰ্ভুক্ত কৰা হৈছে।
8. অসমৰ অৰ্থনীতিৰ যিকোনো এটা বৈশিষ্ট্য উল্লেখ কৰা।
উত্তৰ: অসমৰ অৰ্থনীতি মূলত কৃষিনিৰ্ভৰ আৰু গাঁওকেন্দ্ৰিক।
9. প্ৰাক্-বৈষ্ণৱ যুগৰ এজন কবিৰ নাম লিখা।
উত্তৰ: প্ৰাক্-বৈষ্ণৱ যুগৰ এজন কবিৰ নাম হ'ল- মাধৱ কন্দলি।
10. অসম চাহ কোম্পানী কোন চনত স্থাপন হৈছিল?
উত্তৰ: অসম চাহ কোম্পানী 1839 চনত স্থাপিত হৈছিল।
11. দৰিদ্ৰতা মানে কি?
উত্তৰ: দৰিদ্ৰতা বুলিলে মানুহে নিজৰ নূন্যতম প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাত হোৱা ব্যৰ্থতাকে বুজোৱা হয়।
12. ৰাষ্ট্ৰৰ সংজ্ঞা দিয়া।
উত্তৰ: ৰাষ্ট্ৰ হৈছে এটা নিৰ্দিষ্ট ভূখণ্ড, জনসংখ্যা, স্বাধীন চৰকাৰ আৰু আইন-নিয়ম থকা সামাজিক আৰু ৰাজনৈতিক সংগঠন। 13. অসমৰ এখন তৈলক্ষেত্ৰৰ নাম উল্লেখ কৰা।
উত্তৰ: অসমৰ এখন তৈলক্ষেত্ৰৰ নাম হ'ল- ডিগবৈ তেল শোধানাগাৰ।
14. 'লিবাৰ' শব্দটো কোনটো ভাষাৰ পৰা লোৱা হৈছে?
উত্তৰ: 'লিবাৰ' শব্দটো লেটিন ভাষাৰ পৰা লোৱা হৈছে।
15. অসমৰ অৰ্থনীতিৰ এটা বৈশিষ্ট্য লিখা।
উত্তৰ: অসমৰ অৰ্থনীতিৰ এটা বৈশিষ্ট্য হ'ল- নিম্ন জনমূৰি আয়।
16. 'অসমীয়া ল'ৰাৰ মিত্ৰ' গ্ৰন্থখনৰ ৰচক কোন?
উত্তৰ: 'অসমীয়া ল'ৰাৰ মিত্ৰ' গ্ৰন্থখনৰ ৰচক হ'ল- আনন্দৰাম ঢেকীয়াল ফুকন।
17. খেৰাই নৃত্য অসমৰ কোনটো জনগোষ্ঠীৰ লোক নৃত্য?
উত্তৰ: খেৰাই নৃত্য অসমৰ বড়ো জনগোষ্ঠীৰ লোক নৃত্য।
18. সামাজিক পৰিৱৰ্তন মানে কি বুজা?

উত্তৰ: সামাজিক পৰিৱৰ্তন হৈছে সমাজত প্ৰচলিত নীতি-নিয়ম, আইন-কানুন, ৰীতি-নীতি, পৰম্পৰা আদি সময়ৰ লগত বা পৰিবৰ্তনশীল পৰিস্থিতিৰ লগত খাপখোৱাকৈ হোৱা পৰিৱৰ্তনকে বুজায়।

19. আধুনিকীকৰণৰ এটা প্ৰকৃতি উল্লেখ কৰা।

উত্তৰ: আধুনিকীকৰণৰ এটা প্ৰকৃতি হ'ল ই এক উদ্যোগীকৰণ ব্যৱস্থা।

20. কিমান চনত শিক্ষাক সমবৰ্তী সূচীৰ অন্তৰ্ভূক্ত কৰা হয়?

উত্তৰ: ১৯৭৬ চনত শিক্ষাক সমৱৰ্তী সূচীৰ অন্তৰ্ভুক্ত কৰা হয়।

21. মৌখিক সাহিত্য কি?

উত্তৰ: সাহিত্যৰ এটা প্ৰকাৰ হ'ল মৌখিক সাহিত্য। মৌখিক সাহিত্য হ'ল মানুহৰ মুখে মুখে প্ৰচলিত সাহিত্য। যেনে- বিয়ানাম।

22. 'লিবাৰ' শব্দটো কোনটো ভাষাৰ পৰা লোৱা হৈছে?

উত্তৰ: লিবাৰ শব্দটো লেটিন ভাষাৰ পৰা লোৱা হৈছে।

23. ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত সংখ্যালঘু শিক্ষাৰ বিষয়ে উল্লেখ কৰা?

উত্তৰ: ভাৰতীয় সংবিধানৰ ৩০ (i) নং অনুচ্ছেদত সংখ্যালঘু শিক্ষাৰ বিষয়ে উল্লেখ আছে।

24. ইয়াণ্ডবু সন্ধিৰ পিছত নামনি অসমৰ দায়িত্বত থকা ব্ৰিটিছ বিষয়াজনৰ নাম লিখা।

উত্তৰ: ইয়াণ্ডাবু সন্ধিৰ পিছত নামনি অসমৰ দায়িত্বত থকা ব্ৰিটিছ বিষয়াজনৰ নাম হ'ল ডেভিদ স্কট।

25. অসমৰ প্ৰাক আহোম যুগৰ স্থাপত্যৰ এটা নিদৰ্শন উল্লেখ কৰা।

উত্তৰ: অসমৰ প্ৰাক আহোম যুগৰ স্থাপত্যৰ এটা নিদৰ্শন হ'ল-গুহা।

26. কল্কিপুৰাণ পুথিখন কোনজন আহোম স্বৰ্গদেউৰ দিনত চিত্ৰৰূপ প্ৰদান কৰা হৈছিল?

উত্তৰ: কল্কিপুৰাণ পুথিখন আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত চিত্ৰৰূপ প্ৰদান কৰা হৈছিল।

27. অসমৰ কৃষিভিত্তিক অৰ্থনীতিৰ এটা বৈশিষ্ট্য লিখা।

উত্তৰ: অসমৰ কৃষিভিত্তিক অৰ্থনীতিৰ এটা বৈশিষ্ট্য হ'ল আওপুৰণি কৃষিপদ্ধতিৰে কৰা কৃষি।

28. ভাৰতীয় সমাজত থকা অসমতাৰ এটা মূল কাৰণ লিখা। উত্তৰ: ভাৰতীয় সমাজত থকা অসমতাৰ এটা মূল কাৰণ হ'ল ভাৰতীয় সমাজত চলি অহা শ্ৰেণী বিভাজনে অসমতাৰ সৃষ্টি কৰে।

29. অসমৰ এবিধ লুপ্তপ্ৰায় প্ৰজাতিৰ চৰাইৰ নাম লিখা।

উত্তৰ: অসমৰ এবিধ লুপ্তপ্ৰায় প্ৰজাতিৰ চৰাইৰ নাম হ'ল- শগুণ।

30. LPG ৰ সম্পূৰ্ণ ৰূপটো লিখা।

উত্তৰ: LPG ৰ সম্পূৰ্ণ ৰূপটো হ'ল- Liberalization, Privatization and Globalization.

*****

**Class 8, 9, 10, 12 and D.EL.ED ৰ Study Materials ৰ বাবে আমাৰ website: www.tolearny.com visit কৰিব পাৰে বা আমাক 706141535/9678509762 নম্বৰত Whatsapp কৰিব পাৰে।**